BU/EX/PG/SEM-3/ASM-3.01

# 2017
# ASSAMESE
## PAPER : ASM 3.01
## ASSAMESE SHORT STORY & BIOGRAPHICAL WRITINGS

FULL MARKS:80 Time :3 hours

*{ The figures in the margin indicate full marks for the question.}*

১। উত্তৰ লিখা - ১X১০=১০

ক) 'নদৰাম' গল্পটো কাৰ ৰচনা ?

খ) 'অসমীয়া চুটিগল্পৰ অধ্যয়ন' গ্ৰন্থখন কোনে লিখিছিল ?

গ) ফ্ৰয়েডীয় মনস্তত্ত্বৰ আভাষ থকা প্ৰথমটো অসমীয়া চুটিগল্প কি ?

ঘ) জনজাতীয় জীৱনক কেন্দ্ৰ কৰি গল্প ৰচনা কৰা যিকোনো অগৰাকী গল্পকাৰৰ নাম লিখা।

ঙ) কোনখন গল্পপুথিৰ বাবে ভবেন্দ্ৰনাথ শইকীয়াই সাহিত্য একাডেমী বঁটা লাভ কৰিছিল ?

চ) কোনগৰাকী গল্পকাৰে পোনপ্ৰথমবাৰৰ বাবে বৈজ্ঞানিক যুক্তিবাদক ভিত্তি স্বৰূপে লৈ গল্প ৰচনা কৰে ?

ছ) আঞ্চলিক ভাষাৰ প্ৰয়োগক বিশেষ গুৰুত্ব সহকাৰে লোৱা এগৰাকী গল্পকাৰৰ নাম লিখা।

জ) 'এজনী জাপানী ছোৱালী' গল্পটো কোনে লিখা ?

ঝ) বেজবৰুৱাই 'জ্ঞানবোপা' বুলি কোৱা মানুহজনৰ সম্পূৰ্ণ নামটো কি ?

ঞ) 'জীৱনৰ দীঘ আৰু বাণি' কাৰ আত্মজীৱনী ?

২। চমুকৈ উত্তৰ লিখা - ২X৫=১০

ক) অৱস্থিতিবাদী ধাৰণাক কেন্দ্ৰ কৰি গল্প ৰচনা কৰা দুগৰাকী গল্পকাৰৰ নাম লিখা।

খ) কোনখন আলোচনীয়ে অসমীয়া চুটিগল্পৰ ধাৰাটোক শক্তিশালী আয়তন প্ৰদান কৰাত আগভাগ লৈছিল ? আলোচনীখন কোন চনত প্ৰকাশ হৈছিল আৰু ইয়াৰ প্ৰথম সম্পাদক কোন আছিল ?

গ) কোনগৰাকী বুৰঞ্জীবিদ জীৱনী ৰচকৰূপেও খ্যাত ? তেওঁ ৰচনা কৰা যিকোনো এখন জীৱনীৰ নাম উল্লেখ কৰা।

ঘ) সৌৰভ কুমাৰ চলিহাৰ দ্বাৰা ৰচিত দুখন গল্পপুথিৰ নাম উল্লেখ কৰা।

ঙ) যত দেখা ধনজন সবে বিষ্ণু মায়া, আকাশত প্ৰকাশে মেঘৰ যেন ছায়া" - পদ্যটিৰ অন্তৰ্নিহিত অৰ্থ কি ?

৩। চমু টোকা লিখা (যিকোনো দুটা) - ৫X২=১০

ক) চুটিগল্পৰ বৈশিষ্ট্য

খ) আবাহনৰ গল্প

গ) বেজবৰুৱাৰ আত্মজীৱনীত উপমাৰ প্ৰয়োগ

ঘ) হৰকান্ত সদৰামীনৰ আত্মজীৱনী

৪। অসমীয়া চুটিগল্পৰ পৃষ্ঠভূমি সম্পৰ্কে এটি চমু আলোচনা যুগুত কৰা - ৭

অথবা

বিশুদ্ধ জীৱনী কাক বোলে ? বিশুদ্ধ জীৱনীৰ লক্ষণসমূহ উল্লেখ কৰি এটি টোকা প্ৰস্তুত কৰা। ২+৫=৭

৫। 'ঈদৰ' জোন' গল্পটোত মানবীয় অভিব্যক্তিৰ প্ৰকাশ সম্পৰ্কে এটি সমালোচনাত্মক টোকা প্ৰস্তুত কৰা। ৭

অথবা

'শৰ্মাৰ গল্পতে নতুন নাৰীৰ বিপ্লৱী কণ্ঠ অতি সাহসিকতাৰে প্ৰতিধ্বনিত হোৱা দেখা যায়' - কথাষাৰৰ প্ৰতিফলন পাঠ্যস্থিত লক্ষ্মীধৰ শৰ্মাৰ 'বিধৱাৰ ল'ৰা' গল্পত কিদৰে ঘটিছে বুজাই লিখা।

৬। তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ-

(ক) 'ৰামধেনু যুগৰ গল্পকাৰসকলে পূৰ্ব পৰম্পৰাৰ পৰা বহু পৰিমাণে আঁতৰি আহি নতুন ভাববস্তু, নতুন দৃষ্টিভংগীআৰু নতুন কলা-কৌশল প্ৰয়োগ কৰি অসমীয়া চুটিগল্পৰ পৰিৱৰ্তন সাধন কৰিছিল' - এই মন্তব্যৰ আধাৰত ৰামধেনু যুগৰ চুটিগল্প সম্পৰ্কে এটি সমালোচনাত্মক প্ৰৱন্ধ প্ৰস্তুত কৰা। ১২

(খ) 'সাধাৰণ মানুহৰ চিৰন্তন জীৱনধাৰাৰ হৰ্ষ বিষাদ মিহলি সুৰ শীলভদ্ৰৰ গল্পত সুন্দৰভাৱে পৰিস্ফুট হৈছে' বোলা কথাষাৰৰ সৈতে তুমি একমত নে? পাঠ্যস্থিত 'সংগ্ৰাম' গল্পটোৰ আধাৰত বুজাই লিখা। লগতে গল্পটোৰ নামকৰণৰ তাৎপৰ্য্য সম্পৰ্কেও তোমাৰ মন্তব্য দাঙি ধৰা। ৮+৪=১২

(গ) মনোজ কুমাৰ গোস্বামীৰ 'সমীৰণ বৰুৱা আহি আছে' গল্পটোত সমকাল চেতনাৰ প্ৰকাশ কিদৰে ঘটিছে, বুজাই লিখা। ১২

(ঘ) আত্মজীৱনীৰ সংজ্ঞা দিয়া। আত্মজীৱনী হিচাপে নিৰ্মলপ্ৰভা বৰদলৈৰ 'জীৱন জীৱন বৰ অনুপম' ৰ এটি আলোচনা দাঙি ধৰা। ২+১০=১২

(ঙ) 'সাধু অসাধু কাক কয় (এই) বুঢ়াই নাজানে তাকসাধুৱে কান্দে অসাধুৱে হাঁহে কিৰিলিৰ বাজিছে ঢাক বাক্যাংশৰ আধাৰত বেজবৰুৱাৰ মনত পুঞ্জীভূত হৈ থকা ক্ষোভ কেনেদৰে প্ৰকাশ পাইছে বিচাৰ কৰা। ১২

******